কোনোবা এখন বিশ্ববিদ্যালয়ে ডক্টৰেট উপাধি দিছিল। তেনেকৈ পোৱাৰ পাছত হয়তো কিবা নিয়ম আছে চাগে নিজাববীয়াকৈ পি ডি এফ কৰাৰ।”

এইবাৰ মই গাটো পিছফালৰ চকীখনত এৰি বহিলোঁ। এইটোৱেই হ'ব। ইয়াতকৈ আৰু বেলেগ একো উপায় থাকিবই নোৱাৰে।

“ধেই, কি কোৱাহে? আমাৰ ৰাতুলক কোনোবাই তেনে উপাধি দিব? হেৰৌ সি স্নাতকো নহয়।”

“ছাৰ, তেণ্ডুলকাৰ মেট্ৰিক ফেইল আছিল হেনো।”

ছাৰ গৰজি উঠিল

“তুমি তুমি ৰাতুল শৰ্মাৰ নাম শুনিছা? সেই ভকতীয়া গাঁৱৰ ৰাতুল শৰ্মা। শুনিছানে ক'ৰবাত? তাৰ এনে কি মোতকৈ বেছি প্ৰতিভা আছেহে আনে তাক ডক্টৰেট উপাধি দিব আৰু সি তাৰ পাছত পি ডি এফ কৰিব? কিন্তু কৰি আছে। সৰ লেখা পি ডি এফ কৰিয়ে পঠাইছে। প্ৰকাশো হৈছে। সি কৈছে মোক পি ডি এফ কৰা মিনিটৰ কাম হেনো।”

চকুকেইটা পিৰিকিয়াই পিৰিকিয়াই মাছলৈ আশা পালি বহি থকা মেকুৰীটোৰ দৰে মই ছাৰলৈ চাই থাকিলোঁ।

অলপ আগতে জুৰি বাইদেউৰ খিলখিল হাঁহিটো মোলৈ সোঁচৰিল।

ছাৰে ইফালে-সিফালে চালে লাজতে। ইংগিতেৰে ক'লে প্ৰকৃতিস্থ হোৱা। মহিলা সমিতিয়ে গৰজিব। ময়ো নিজক চম্ভালিলোঁ।

“ছাৰ। ময়ো আৰু। ক'ৰ কথা নি ক'ত পোৱালোঁগে।”

“ছাৰ, এবাৰো নক'লে কিয় লেখা পি ডি এফ কৰিব লাগে বুলি।”

“আঁতো। সেইটোৱেইতো কথা। তুমি আকৌ ক'ৰ ফেল'শ্বিপক টানিলা। তেণ্ডুলকাৰকো নেৰিলা।”

“ছাৰ চাওক। আজিকালি সৰ ডিজিটেলাইজড হ'ল...।”

“সেইবোৰ বাদ দিয়া। মোক মাত্ৰ কোৱা মোৰ লেখা মই কেনেকৈ পি ডি এফ কৰিম? ৰাতুলে কৈছে পি ডি এফ কৰি নপঠালে লেখা প্ৰকাশ নহয়। ৰাতুলে যদি পাৰে ময়ো পাৰিম।”

ছাৰে চছমা পিন্ধি পোনকৈ বহিল।

ছাৰ অশান্ত। অস্থিৰ। জীৱন সংগ্ৰামত সাঁতুৰিছে—নাদুৰিছে। তথাপি তেওঁ অক্লান্ত। অৱসৰ ল'বলৈ মাত্ৰ দুবছৰ দিন। এতিয়া লেখা পি ডি এফ কৰা শিকিবলৈ মন উথপথপ, উদভ্ৰান্ত।

“দিয়ক ছাৰ লেখাটো। মই দেখুৱাই দিওঁ।”

ছাৰে লাজ লাজকৈ হাঁহিলে।

“লেখা মানে কি আৰু, কবিতা এটা। তোমাক দেখুৱাবলৈ লাজেই লাগিছে নহয়।”

“হ'ব ছাৰ মই মোৰ লেখা এটাকে আপোনাক পি ডি এফ কেনেকৈ কৰে দেখুৱাই দিম। ম'বাইলত নে কম্পিউটাৰত লাগে ছাৰ আপোনাক?”

“সদ্যহতে ম'বাইলতে দেখুউৱা।”

মই মোৰ ম'বাইলটো ছাৰৰ ফালে ওলোটাই ল'লোঁ। ছাৰৰ কাষতে বহি দেখুৱাবলৈ সুবিধা। বহা নাই। ৰাইজৰ চকুৰে তাতেই কাহিনী এটা ৰচি পেলাব।

“চাওক। এই লেখাটো মই ডাং পাৰ্থ সাৰথি ভূঞালৈ পঠাব লাগে। ফটাঢোল নামৰ ফে'ছবুকৰ গোট এটাত তেখেতে প্ৰকাশ কৰিব। চাওক, কেনেকৈ পি ডি এফ কৰোঁ।”

“মই এই লেখাটো আগতেই ম'বাইলৰ ৱৰ্ড ফাইলত বুঢ়া আঙুলিৰে টাইপ কৰি লিখিছিলোঁ এইদৰে...।”

ছাৰক মই টাইপ কৰি দেখুৱালোঁ।

“হ'ব হ'ব। সেয়া বাৰু মই শিকিছোঁ। পাছৰখিনি কোৱা।”

“এতিয়া গুগলত চাৰ্চ কৰিম অনলাইন পি ডি এফ কনভাৰ্টাৰ।”

“ৰ'বা ৰ'বা তুমি কৰিছাই যেতিয়া মোৰ ম'বাইলত মোৰ কবিতাটোকে কৰি দেখুউৱা।”

হেডছাৰৰ ম'বাইল মোৰ হাতত। বাঃ জুৰি বাইদেউ! হাঁহি লোৱা দেই অলপ। ছাৰে টাইপ কৰিছে এভাৰন'টত। বাঃ বুঢ়া মোতকৈও এখোপ চৰা।

“তুমি নাই। আছিলা এদিন জোনাকৰ পখিলা হৈ মোৰ বুকু চুমি”ৰপৰা “ভাগি গ'ল মোৰ স্ৰোতস্বিনী প্ৰেমৰ তাজমহল”লৈকে বুঢ়া আঙুলিৰে হেঁচি ধৰিলোঁ। নীলা হ'ল। কপি টিপিলোঁ।

“চাওক। কপি হ'ল।”

“এতিয়া এইটো মই ৱৰ্ড ফাইলত পেষ্ট কৰিম। চাওক ছাৰ, পেষ্ট হৈ গ'ল।”

“এতিয়া গুগলত অনলাইন কনভাৰ্টাৰ বিচাৰিম। চাওক এয়া। ৱৰ্ড ফাইলটো ছিলেক্ট কৰিলোঁ।”

খন্তেক নিৰৱতা। চাৰে টঁ টঁকৈ বৰশীৰ পুঙাটোলৈ চোৱাদি ম'বাইলটো চাই আছে।

“এয়া হৈ গ'ল। পি ডি এফ হৈ গ'ল।”

ছাৰে এইবাৰ ম'বাইলটো মোৰ হাতৰ পৰা থাপ মাৰি নিয়াদি নিলে। কবিতাটো ওঁঠ লৰাই পঢ়িলে। চকু-মুখত সন্তুষ্টি।

“ডাঙৰ কাম এটা কৰি দিলা দেই তুমি মাজনী।”

মা..জ..নী..!

মই আবেগিক হৈ পৰিলোঁ।

“ছাৰ মেইল আই ডি আছে নহয় আপোনাৰ।”

“সেইটো কি?”

“ছাৰ ৰ'ব। এতিয়া মোৰ দশম শ্ৰেণীত এটা ক্লাছ আছে। আহি দেখুৱাম।”

“হ'ব হ'ব। অ' এটা কথা। পাৰিলে অকণমান সোনকালে আহিবা দেই স্কুললৈ। তোমাক টানকৈ ক'বলৈ বেয়াই লাগে। পি এইচ ডি কৰা মানুহ। হেঃ হেঃ হেঃ।”

“হয় ছাৰ। আহিম ছাৰ। ছাৰ আপুনি ইমান মৰমিয়াল, চেষ্টা কৰিম ছাৰ।”

অমৰাগুটীয়া চকুকেইটা এইবাৰ কোঁচাই সৰলৰেখা কৰি চকু টিপিয়াই ছাৰে চছমাৰ ওপৰেদি মোলৈ চাই মিচিকিয়াই হাঁহিলে।

ভাগি গ'ল জুৰি বাইদেউ তোমাৰ স্ৰোতস্বিনী প্ৰেমৰ তাজমহল... আওৱাই আওৱাই মই দশম শ্ৰেণীলৈ লৰ দিলোঁ।

ঠিকনা ঃ প্ৰধান শিক্ষয়িত্ৰী, লিটল লিজেণ্ডছ প্ৰি-স্কুল, বটামৰা তিনিআলি, মৰাণ, চৰাইদেউ-৭৮৫৬৬৯, ফোন ঃ ৭০৮৬০২৮২৫৪

# প্ৰান্তিকৰ লেখক-লেখিকাসকললৈ আহ্বান

ই-মেইলযোগে প্ৰান্তিকলৈ পঠোৱা লেখাসমূহে বিভিন্ন সময়ত আমাক বিভ্ৰান্তিত পেলাইছে। কিয়নো বহুতে মোবাইলেৰে অস্পষ্টকৈ ফটো তুলিও লেখা এটা ই-মেইল কৰে। আমালৈ পঠোৱা একেটা লেখাকে অন্য কাকত-আলোচনীলৈও পঠিয়াই আমাক অসুবিধাত পেলায়। আনহাতে লেখা এটা আমালৈ ই-মেইল কৰিয়েই বহুতে লেখাটো পাইছোঁ নে নাই, লেখাটো কেতিয়াকৈ প্ৰকাশ পাব ইত্যাদি কথা সুধি ব্যতিব্যস্ত কৰে। সকলো লেখা আমাৰ হাতত পৰাৰ পাছত সেইসমূহ নথিভুক্ত কৰি, পৰ্যায়ক্ৰমে পঢ়ি এটা সিদ্ধান্তলৈ আহিবলৈ আমাক কিছু সময় লাগে। এই ক্ষেত্ৰত সদাশয় লেখক-লেখিকাসকলৰ সহযোগিতা বিচাৰিছোঁ। তদুপৰি বহুতে লেখাটোৰ সৈতে পিনক'ডসহ সম্পূৰ্ণ নাম-ঠিকনা উল্লেখ নকৰে। এই ধৰণৰ ত্ৰুটিপূৰ্ণ লেখা প্ৰান্তিকত প্ৰকাশৰ বাবে বিবেচনা কৰা নহয়। পেজমেকাৰত ৰামধেনু ছফটৱেৰৰ গীতাঞ্জলি ফণ্টতহে 'prantikasomiya@gmail.com' ঠিকনাত নিজৰ ই-মেইলসহ সম্পূৰ্ণ নাম-ঠিকনা, পিনক'ড আৰু ফোন নম্বৰ উল্লেখেৰে লেখা প্ৰেৰণ কৰিব। প্ৰকাশিত লেখাৰ বাবদ মাননি পঠাবলৈ লেখক-লেখিকাসকলে বেংকৰ বিতং তথ্য (একাউণ্ট নম্বৰ, আই এফ এছ ছি ক'ড ইত্যাদি) লেখাটোৰ সৈতে উল্লেখ কৰিব।

—সম্পাদক